আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MARCH 11, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৭৩ Guwahati, Assam ।। মূল্যঃ এটকা

# পুনৰ সংবিধান সলনিৰ হুংকাৰ বিজেপি নেতাৰ

**নতুন দিল্লী, ১০ মাৰ্চঃ** সমাগত লোকসভা নিৰ্বাচনক লৈ সাজু হৈছে ৰাজনৈতিক দলসমূহ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ বাবে প্ৰয়াস কৰিছে বিজেপিয়ে। এইবাৰ বিজেপিয়ে আওৰাইছে 'অব কী বাৰ চাৰশ পাৰ' শ্ল'গান। নৰেন্দ্ৰ মোদী আৰু



বিজেপিৰ আন নেতাসকলে দাবী কৰিছে যে ২০২৪ৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে ৩৭০ খন আৰু এন ডি এয়ে ৪০০ খন আসন লাভ কৰিব। কিন্তু কিয় প্ৰয়োজন বিজেপি নেতৃত্বাধীন এন ডি এক ৪০০ খন আসন? শেহতীয়াকৈ কৰ্ণাটকৰ বিজেপি সাংসদ অনন্ত কুমাৰ শেষাংশ ৩ পৃষ্ঠাত

## কংগ্ৰেছক বঙালী বিৰোধী আখ্যা বিতৰ্কিত প্ৰদীপ দত্ত ৰয়ৰ

# 'কা'ক লৈ বৰাকত 'আছু'ক প্ৰত্যাহ্বান বিডিএফৰ



**ই-সংবাদ, ১০ মাৰ্চঃ** মুখ খুলিলেই বিতৰ্কৰ সূচনা কৰা বৰাকৰ বিতৰ্কিত বঙালী নেতা প্ৰদীপ দত্ত ৰয়ে এইবাৰ সকীয়নি দিলে নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধিতা কৰা আছু-কংগ্ৰেছৰ দৰে দল-সংগঠনক। 'কা' বিৰোধী আন্দোলন কৰিলে আছু-কগ্ৰেছক বৰাক উপত্যকাত বয়কট কৰাৰ হুংকাৰ প্ৰদীপ দত্ত ৰয়ৰ। আজি সংবাদ মাধ্যমৰ সন্মুখত বৰাক শেষাংশ ৫ পৃষ্ঠাত

## এতিয়া আন্দোলন কৰিলে কামত নাহে! দাবী মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ১০ মাৰ্চঃ** আজি হঠাতে যেন মুখ্যমন্ত্ৰীৰ মুখেৰে অমৃত বাণী ওলাই পৰিল। চৰকাৰৰ বিৰোধ কৰাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লৈ শেষাংশ ২ পৃষ্ঠাত



## হাৰিয়ানাত বিজেপি সাংসদ কংগ্ৰেছলৈ

**ব্যতিক্ৰমী ঘটনা**

**চণ্ডীগড়, ১০ মাৰ্চঃ** যি সময়ত সমগ্ৰ দেশতে কংগ্ৰেছ এৰি বিজেপিত যোগ দিয়াৰ ধুম উঠিছে সেই সময়তে হাৰিয়ানাত দেখা গ'ল শেষাংশ ৪ পৃষ্ঠাত

## পশ্চিমবংগত পৰালি পৰিল মিত্ৰজোঁটৰ, তৃণমূলৰ প্ৰাৰ্থী ঘোষণা

**কলকাতা, ১০ মাৰ্চঃ** পশ্চিমবংগত সন্ধি সিদ্ধি নহ'ল কংগ্ৰেছ-তৃণমূল কংগ্ৰেছৰ। লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সমান্তৰালভাৱে বৃদ্ধি পাইছে ৰাজনৈতিক দলৰ ব্যস্ততা। লোকসভা নিৰ্বাচনক লৈ বিৰোধী ঐক্য ইণ্ডিয়া মিত্ৰজোঁটৰ অন্তৰ্ভূক্ত দলসমূহৰ মাজত আসনৰ বুজাবুজিক লৈ চৰ্চা শেষাংশ ২ পৃষ্ঠাত



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এতিয়া আন্দোলন কৰিলে কামত

অহা মুখ্যমন্ত্ৰীয়ে প্ৰথমবাৰ আন্দোলনকাৰীক সন্মান কৰি বুলি কয়। নৰেন্দ্ৰ মোদী চৰকাৰে গৃহীত কৰা 'কা'ৰ বিৰুদ্ধে আন্দোলন কৰাসকলক মুখ্যমন্ত্ৰীয়ে সন্মান কৰো। আজি অকপটে 'কা'ৰ বিৰোধীতা কৰাসকলক হিমন্ত বিশ্ব শৰ্মাই সন্মান কৰো বুলি মন্তব্য প্ৰকাশ কৰিছো। 'কা'ৰ বিৰুদ্ধে প্ৰতিবাদ কৰি থকাসকলক চিৰশত্ৰু জ্ঞান কৰা হিমন্ত বিশ্ব শৰ্মাই 'কা'ৰ বিৰুদ্ধে প্ৰতিবাদ কৰাসকলক সন্মান কৰাৰ কথা উল্লেখ কৰাত মুখ্যমন্ত্ৰীৰ এয়া নতুন কিবা কৌশল নেকি বুলি সৰৱ চৰ্চা হৈছো। ২০১৯ চনত শ-শ আন্দোলনকাৰীক আৰক্ষী-অৰ্ধসামৰিক বাহিনী লগাই পিঠিত লাঠিৰ কোব দিছিল। কেইবা শ যুৱকক জেলত বন্দী কৰিছিল। দুই-তিনি বছৰলৈ কাৰাগাৰত থকাৰ পাছতহে মুকলি আকাশৰ তললৈ ওলাই আহিছে বহু যুৱকো। সেই সময়তো এইগৰাকী মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল চৰকাৰৰ মন্ত্ৰী আছিল। হয়তো চৰকাৰৰ কঠোৰ সিদ্ধান্তৰ ফলতে আৰক্ষীৰ গুলীত নিহত হৈছিল ৫ গৰাকী তেজাল যুৱক। কিন্তু ৫ বছৰৰ অন্তত ড০ হিমন্ত বিশ্ব শৰ্মাই ক'বলৈ আৰম্ভ কৰিছে যে মই আন্দোলনকাৰীক সন্মান কৰো। এই কথা অসমবাসীৰ বাবে যেন হজম কৰিব নোৱাৰা বিধৰ। আজি মুখ্যমন্ত্ৰীয়ে নগাঁৱৰ বটদ্ৰৱা প্ৰকল্প পৰিদৰ্শন কৰো। পৰিদৰ্শনৰ সময়ত স্থানীয় সাংবাদিকৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে কয় যে দুয়োখনত বিল সদনত গৃহীত হৈছো। এতিয়া প্ৰতিবাদ কৰি লাভ নাই। মুখ্যমন্ত্ৰীয়ে স্বভাৱসুলভভাবে কয় যে ল'ৰা-ছোৱালী জন্ম হ'ল, নামাকৰণৰ সময়ত হুলস্থুল কৰি কি লাভ? ৰাজ্যসভা-লোকসভাত পাছ হ'ল বিলখন। আন্দোলন হ'ব লাগিছিল আইন পাছ হোৱাৰ সময়ত। এতিয়া আন্দোলন কৰি কি লাভ? 'কা' বিৰোধিতা কৰা, সপক্ষে থকা সকলোকে মই সন্মান কৰো। আনহাতে, প্ৰতিশ্ৰুতি দি কয় যে মোদীৰ দৰে হিমন্ত বিশ্ব শৰ্মাই গেৰাণ্টী দিছো, নতুন মানুহ নাহে, ময়ো আহিব নিদিও। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অখিল গগৈক উভতি ধৰো। মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ সংগঠনে আন্দোলন কৰাত কোনো বাধা নাই। আন্দোলন কৰিলে ৰাজনৈতিক দলৰ পঞ্জীয়ন বাতিল হ'ব। ৰাজনৈতিক দলৰ নেতাই যদি 'কা' আন্দোলনত অংশগ্ৰহণ কৰে, তেন্তে দলৰ পঞ্জীয়ন বাতিল কৰা হ'ব। ৰাজনৈতিক দলে আন্দোলন কৰিলে আমি নিৰ্বাচন আয়োগক অভিযোগ দিম। আনহাতে মুখ্যমন্ত্ৰীয়ে শীৰ্ষ আদালতৰ দোহাই দি কয় যে উচ্চতম ন্যায়ালয়ে 'কা' নিজে বাতিল কৰিব। কেন্দ্ৰীয় চৰকাৰে, ৰাজ্য চৰকাৰে যদি বেয়া কাম কৰিছে, 'কা' ন্যায়ালয়ে বাতিল কৰিব। আইএমডিটি আন্দোলন কৰাৰ ফলত বাতিল হোৱা নাছিল। আইএমডিটি উচ্চতম ন্যায়ালয়ে বাতিল কৰিছিল। 'কা'ৰ বিৰুদ্ধেও গোচৰ চলি আছে। উচ্চতম ন্যায়ালয়ে দিয়া ৰায় মানি ল'ব বুলিও ঘোষণা কৰে হিমন্ত বিশ্ব শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পশ্চিমবংগত পৰালি পৰিল

অব্যাহত থকাৰ সময়তে আজি পশ্চিমবংগত ৪২ খন লোকসভা আসনৰ বাবে প্ৰাৰ্থীৰ নামৰ তালিকা প্ৰকাশ কৰিলে তৃণমূল কংগ্ৰেছে। তৃণমূল কংগ্ৰেছে নিজৰ প্ৰাৰ্থী তালিকা ঘোষণা কৰাৰ পিছতে এতিয়া স্পষ্ট হৈ পৰিছে যে পশ্চিম বংগত কংগ্ৰেছ আৰু টিএমচিৰ মাজৰ মিত্ৰতা সম্ভৱ হৈ নুঠিল। উল্লেখ্য যে, আজি টিএমচিয়ে ঘোষণা কৰা প্ৰাৰ্থীৰ নামৰ তালিকাত অন্তৰ্ভূক্ত কৰা হৈছে শত্ৰুঘ্ন সিনহা, কীৰ্তি আজাদ, প্ৰাক্তন ক্ৰিকেটাৰ ইউছুফ পাঠানকে ধৰি কেইবাগৰাকীও সুপৰিচিত ব্যক্তিৰ নাম। ইফালে টিএমচিয়ে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে কংগ্ৰেছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে কয় যে আমি ৰাজ্যত টিএমচিৰ সৈতে বিজেপিৰ মুখামুখি হ'বলৈ অহৰহ চেষ্টা কৰি আছো। টিএমচিয়ে প্ৰাৰ্থী ঘোষণা কৰাৰ পাছতো ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত পোষ্ট কৰিছে জয়ৰাম ৰমেশে। এই পোষ্টটোত তেওঁ লিখিছে যে ভাৰতীয় জাতীয় কংগ্ৰেছে পশ্চিম বংগৰ টিএমচিৰ সৈতে সন্মানজনক আসন ভাগ-বতৰা চুক্তিত উপনীত হোৱাৰ ইচ্ছা বাৰে বাৰে প্ৰকাশ কৰি আহিছে। কংগ্ৰেছে সদায় কৈ আহিছে যে এনে চুক্তি একপক্ষীয় ঘোষণাৰ জৰিয়তে নহয় আলোচনাৰ জৰিয়তেহে চূড়ান্ত কৰিব লাগে। কংগ্ৰেছে সদায় বিচাৰিছিল ইণ্ডিয়া ঐক্যই একেলগে বিজেপিৰ বিৰুদ্ধে যুঁজ দিয়া। আজি তৃণমূল কংগ্ৰেছৰ ৪২ খন আসনৰ প্ৰাৰ্থীৰ নামৰ তালিকা প্ৰকাশ কৰে দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা সাংসদ অভিষেক বেনাৰ্জীয়ে। তেওঁ কয় যে আছানছলৰ পৰা লোকসভাৰ আসনৰ বাবে টিএমচিৰ প্ৰাৰ্থী হ'ব শত্ৰুঘ্ন সিনহা। মন কৰিবলগীয়া যে, পশ্চিম বংগত তৃণমূল কংগ্ৰেছে অকলে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি ঘোষণা কৰিছে মমতা বেনাৰ্জীয়ে। ইয়াৰ সমান্তৰালকৈ অসম আৰু মেঘালয়ৰ নিৰ্বাচনতো প্ৰতিদ্বন্দ্বিতা কৰিব। একে সময়তে উত্তৰ প্ৰদেশৰ এখন আসনত নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ অখিলেশ যাদৱৰ সৈতে আলোচনা চলি আছে। পশ্চিম বংগৰ শাসকীয় তৃণমূল কংগ্ৰেছে এইবাৰ বৰ্তমানৰ একাংশ সাংসদৰ টিকট কাটি অন্তৰ্ভূক্ত কৰিছে প্ৰাক্তন ক্ৰিকেটাৰ ইউছুফ পাঠান, কীৰ্তি আজাদৰ দৰে বহু নতুন মুখ। বৰ্তমানৰ ১৬ গৰাকী সাংসদৰ ওপৰত পুনৰ আস্থা প্ৰকাশ কৰিছে দলটোৱে। আজি ঘোষণা কৰা প্ৰাৰ্থী তালিকাত প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে ১২ গৰাকী মহিলাকো। বাহাৰামপুৰ লোকসভাৰ আসনৰ পৰা এইবাৰ ক্ৰিকেটাৰ ইউছুফ পাঠানক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে টিএমচিয়ে। আনহাতে বৰ্ধমান-দুৰ্গাপুৰ আসনৰ পৰা কীৰ্তি আজাদক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে। বাছিৰহাট লোকসভা আসনৰ পৰা টিএমচিয়ে বৰ্তমানৰ সাংসদ নুছৰত জাহানৰ ঠাইত প্ৰক্ষেপ কৰিছে প্ৰাক্তন সাংসদ হাজী নুৰুল ইছলামক। মন কৰিবলগীয়া যে, লোকসভাৰ পৰা বহিষ্কৃত সাংসদ মহুৱা মৈত্ৰাক একেৰাহে দ্বিতীয়বাৰৰ বাবে টিএমচিয়ে থিয় কৰাইছে কৃষ্ণনগৰ আসনৰ পৰা। ইফালে, আটাইকেইটা সমষ্টিতে প্ৰাৰ্থী ঘোষণা কৰাৰ পিছত তৃণমূল কংগ্ৰেছক ওভতি ধৰিছে কংগ্ৰেছৰ অধীৰৰঞ্জন চৌধুৰীয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কথামতে মমতা বেনাৰ্জীয়ে অকলশৰে প্ৰাৰ্থী দিছে বুলিও দাবী কৰে কংগ্ৰেছ নেতাগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ সংবিধান সলনিৰ হুংকাৰ

হেগড়েয়ে এই ৰহস্য ফাদিল কৰি কয় যে সংবিধান সলনি কৰিবলৈ আৰু 'ধৰ্ম ৰক্ষা' কৰিবলৈ এন ডি এক ৪০০ খন আসনৰ প্ৰয়োজন। বিজেপিৰ সাংসদগৰাকীৰ এনে মন্তব্যৰ পিছতে এতিয়া নিৰ্বাচনৰ পূৰ্বে সৃষ্টি হৈছে তীব্ৰ ৰাজনৈতিক প্ৰতিক্ৰিয়াৰ। কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে বিজেপি সাংসদগৰাকীৰ এনে মন্তব্যক লৈ তীক্ষ্ণ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে অনন্ত কুমাৰ হেগড়েৰ এই বক্তব্য নৰেন্দ্ৰ মোদী আৰু তেওঁৰ সংঘ পৰিয়ালৰ গোপন উদ্দেশ্যৰ ৰাজহুৱা ঘোষণা। এই চৰকাৰে গণতন্ত্ৰক সংকীৰ্ণ একনায়কত্ববাদলৈ ৰূপান্তৰিত কৰিব বিচাৰিছে বুলিও মন্তব্য কৰে ৰাহুল গান্ধীয়ে। কংগ্ৰেছ নেতাগৰাকীয়ে কয়, নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ চূড়ান্ত লক্ষ্য হৈছে বাবা চাহেবৰ সংবিধান ধ্বংস কৰা।'তেওঁলোকে ন্যায়, সমতা, নাগৰিক অধিকাৰ আৰু গণতন্ত্ৰক ঘৃণা কৰে।' গান্ধীয়ে লগতে কয়, 'সমাজক বিভাজিত কৰি, সংবাদ মাধ্যমক দাসত্বৰ শিকলিৰে বান্ধি, মত প্ৰকাশৰ স্বাধীনতা খৰ্ব কৰি, স্বাধীন প্ৰতিষ্ঠানক পক্ষাঘাতগ্ৰস্ত কৰি, বিৰোধীক নিৰ্মূল কৰাৰ ষড়যন্ত্ৰ কৰি ভাৰতৰ মহান গণতন্ত্ৰক সংকীৰ্ণ একনায়কত্ববাদলৈ ৰূপান্তৰিত কৰিব বিচাৰিছে বিজেপিয়ে।' বিজেপিক সমালোচনা কৰি ৰাহুল গান্ধীয়ে পুনৰ কয়, 'আমি এই ষড়যন্ত্ৰ সফল হ'বলৈ নিদিওঁ আৰু শেষ উশাহলৈকে সংবিধানে নিশ্চিত কৰা গণতান্ত্ৰিক অধিকাৰৰ বাবে যুঁজি যাম।' উল্লেখ্য যে, বিগত সময়তো মোদী চৰকাৰে সংবিদান সলনি কৰাৰ প্ৰয়াস কৰা বুলি অনেক বাৰ অভিযোগ উত্থাপন কৰি আহিছে বিৰোধীয়ে। কিন্তু বিগত বৰ্ষৰ ডিচেম্বৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধান সংশোধনৰ যিকোনো কথা অৰ্থহীন বুলি নাকচ কৰিছিল আৰু তেওঁৰ চৰকাৰে তেনে নকৰে বুলিও কৈছিল। কিন্তু মোদী চৰকাৰৰে এগৰাকী সাংসদে কৰা মন্তব্যক লৈ এতিয়া সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। সততে বিতৰ্কিত মন্তব্য দি অহা বিজেপি সাংসদ অনন্ত কুমাৰ হেগড়েয়ে ভাৰতীয় সংবিধানৰ অধিকাংশ অংশ পুনৰ লিখাৰ প্ৰয়োজন বুলি মন্তব্য কৰাৰ পিছতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। হেগড়েয়ে অভিযোগ কৰে যে পূৰ্বৰ কংগ্ৰেছ নেতাসকলে সংবিধান সংশোধন কৰি হিন্দু ধৰ্মক অৱনমিত কৰিছিল। হেগড়েয়ে লগতে কয় যে সংবিধান সলনি কৰিবলৈ আগন্তুক সাধাৰণ নিৰ্বাচনত বিজেপিক কেৱল ৪০০খন লোকসভা আসনৰ প্ৰয়োজন হ'ব। নিৰ্বাচনত সকলোকে বিজেপিক ভোট দিবলৈ আহ্বান জনাই সাংসদগৰাকীয়ে কয়, ''বিজেপিয়ে ৪০০ খন আসন কিয় বিচাৰি আছে? কংগ্ৰেছ নেতাসকলে প্ৰথমে সংবিধানৰ পৰিৱৰ্তন কৰি হিন্দু ধৰ্মক অৱনমিত কৰিলে। আমি ইয়াক সলনি কৰি আমাৰ ধৰ্মক ৰক্ষা কৰিব লাগিব।' হেগড়েয়ে কয়, 'লোকসভাত আমাৰ ইতিমধ্যে দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা আছে, আৰু ৰাজ্যসভাত সংবিধান সংশোধন কৰিবলৈ আমাৰ সংখ্যাগৰিষ্ঠতা নাই। ৪০০+ আসনে আমাক এইখিনি লাভ কৰাত সহায় কৰিব।' উল্লেখ্য যে, ভাৰতীয় সংবিধান সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ বাবে কৰ্ণাটকৰ কংগ্ৰেছ চৰকাৰে ৰাজ্যজুৰি 'সংবিধান সজাগতা কাৰ্যসূচী' আয়োজন কৰাৰ সময়তে এই মন্তব্য কৰিছে বিজেপিৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হেগড়েয়ে। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰমাইয়াই কিছুদিন পূৰ্বে কৈছিল- 'একাংশ লোকে কৈছে যে ক্ষমতালৈ আহিলে সংবিধান সলনি কৰিব। ভাৰতীয় সংবিধানৰ শক্তি নজনা একাংশ নেতাই দায়িত্বহীন মন্তব্য কৰিছে। আমাৰ ভাৰতীয় সংবিধান কিমান মহান সেই কথা মানুহে জানিব লাগিব আৰু এই অভিযানে এই বিষয়ে জনাত সহায় কৰিব।'

# সমাজসেৱক তথা ডুগডুগীৰ স্বত্বাধিকাৰ উৎপল বণিয়ালৈ বিশেষ ৰাষ্ট্ৰীয় সন্মান



**ই-সংবাদ, ১০ মাৰ্চঃ** অসমৰ বিশিষ্ট উদ্যোগপতি তথা সমাজসেৱক ডুগডুগীৰ স্বত্বাধিকাৰ উৎপল বণিয়ালৈ ৰাষ্ট্ৰীয় সন্মান। শেহতীয়াকৈ হাৰিয়ানা অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বণিয়াক প্ৰদান কৰা হয় 'নেচনেল আইকণ এৱাৰ্ড' । হাৰিয়ানাত অনুষ্ঠিত হোৱা হিউমেন ৰাইটচ্ ইন্টাৰনেছনেল ফেডাৰেশ্যনৰ ষষ্ঠ প্ৰতিষ্ঠা দিৱসত হিউমেন ৰাইটচ ফেডাৰেশ্যনয়ে আজীৱন সভ্য হিচাপে স্বীকৃতিপ্ৰাপ্ত বিশিষ্ট সমাজসেৱক, সু-লেখক তথা সকলোৰে পৰিচিত ডুগডুগীৰ স্বত্বাধিকাৰী উৎপল বণিয়া নেচনেল আইকণ এৱাৰ্ড (National Icon Awards) সন্মানেৰে সন্মানিত কৰে। হিউমেন ৰাইটচ ফেডাৰেশ্যনৰ উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে বলিউডৰ জনপ্ৰিয় অভিনেত্ৰী পুণম ধিলন আৰু অভিনেত্ৰী ৰশ্মি দেশাই উপস্থিত থাকে। হাৰিয়ানা আৰু উত্তৰপ্ৰদেশৰ বহুকেইজন খ্যাতনামা ব্যক্তিৰ লগতে বহু কেইজন সন্মানীয় বিধায়ক উপস্থিত থাকে উক্ত অনুষ্ঠানটোত। বিশিষ্ট সমাজসেৱক, সু-লেখক তথা ডুগডুগীৰ স্বত্বাধিকাৰ উৎপল বণিয়াৰ দক্ষতা, সাহস আৰু দৃঢ় মনোবলেৰে আগুৱাই গৈ পুনৰবাৰ ৰাষ্ট্ৰীয় পৰ্যায়ত বঁটা লাভ কৰিবলৈ সক্ষম হোৱাত সকলোৰে শলাগ লৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাৰিয়ানাত বিজেপি সাংসদ

এক ব্যতিক্ৰমী ঘটনা। ৰাজ্যখনত কৃষকৰ আন্দোলন, মল্লযুঁজাৰুৰ প্ৰতিবাদ দমন কৰিবলৈ মোদী চৰকাৰে চলোৱা প্ৰচেষ্টাত বিতুষ্ট হৈ এগৰাকী বিজেপি সাংসদে যোগ দিলে কংগ্ৰেছত। যাৰ বাবে ২০২৪ৰ লোকসভা নিৰ্বাচনলৈ মাজত আৰু মাত্ৰ কেইসপ্তাহমান থকাৰ সময়তে বিজেপিৰ প্ৰাথমিক সদস্যপদৰ পৰা পদত্যাগ কৰি কংগ্ৰেছমুখী হ'ল হাৰিয়ানাৰ হিছাৰৰ বিজেপি সাংসদ ব্ৰীজেন্দ্ৰ সিঙে। দলৰ পৰা পদত্যাগ কৰাৰ পিছতে তেওঁ নতুন দিল্লীত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত উপস্থিত হৈ আনুষ্ঠানিকভাৱে বিৰোধী দলৰ অংশ হৈ পৰে। বিজেপি ত্যাগ কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ব্ৰীজেন্দ্ৰ সিঙে কয়, 'ৰাজনৈতিক আৰু মতাদৰ্শগত মতানৈক্যৰ বাবেই মই বিজেপি ত্যাগ কৰি কংগ্ৰেছত যোগদান কৰিলোঁ। কৃষকৰ সমস্যাৰ পৰা আৰম্ভ কৰি অগ্নিবীৰৰ পৰা মল্লযুঁজাৰুৰ প্ৰতিবাদলৈকে বহু কথাত মোৰ মতানৈক্য আছিল। কংগ্ৰেছ পৰিয়ালত যোগদান কৰি মই অতি সুখী।' ব্ৰীজেন্দ্ৰ সিঙে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষৰ বাসগৃহত আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰাৰ সময়ত উপস্থিত থাকে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা অজয় মাকেন, মুকুল ৱাছনিক, আৰু দীপক বাবাৰিয়া। কংগ্ৰেছৰ সূত্ৰই সদৰী কৰা মতে, হিছাৰত এইবাৰ কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব পাৰে ব্ৰীজেন্দ্ৰ সিঙে। উল্লেখ্য যে, বিজেপিৰ জ্যেষ্ঠ নেতা চৌধুৰী বীৰেন্দ্ৰ সিঙৰ পুত্ৰ ব্ৰীজেন্দ্ৰ সিং ৰাজনীতিৰ পথাৰত ভৰি থোৱাৰ পূৰ্বে এগৰাকী প্ৰশাসনিক বিষয়া হিচাপে কৰ্তব্যৰত আছিল। আজি তেওঁ কংগ্ৰেছত যোগ দি কয়, "মই লোকসভাৰ সদস্যপদৰ পৰাও পদত্যাগ কৰিছো। হিছাৰবাসীক প্ৰতিনিধিত্ব কৰি তেওঁলোকৰ সাংসদ হিচাপে দাবী উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে মই কৃতজ্ঞ। মই যি জনসেৱাৰ সংকল্পৰে চাকৰি এৰি ৰাজনীতিত প্ৰৱেশ কৰিছিলো, সেয়া মই অব্যাহত ৰাখিম।"

## হোজাইৰ মোৰাঝাৰত তীব্ৰ চাঞ্চল্য, ছচিয়েল মিডিয়াত ভিডিঅ' ভাইৰেল

# হাস্পতালত অসমীয়া কোৱা বাবেই ৰোগীক প্ৰহাৰ কৰ্মচাৰীৰ!

**ই-সংবাদ, মোৰাঝাৰ, ১০ মাৰ্চঃ** অনা-অসমীয়া চিকিৎসকৰ আগত অসমীয়া ভাষা কোৱাৰ বাবেই হাস্পতালৰ ভিতৰতে নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ অভিযোগ ৰোগী আৰু ৰোগীৰ পিতৃক। বদৰুদ্দিন আজমল মালিকানাধীন হোজাইৰ হাজী আব্দুল মজিদ মে'মৰিয়েল চিকিৎসালয়ত আজি সংঘটিত এই ঘটনাৰ পিছতে সৃষ্টি হয় উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ। চিকিৎসায়খনৰ আকস্মিক চিকিৎসা বিভাগত চিকিৎসালয়খনৰ কৰ্মচাৰীয়ে ৰোগী আৰু ৰোগীৰ আত্মীয়ক প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হোৱাৰ পিছতে সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ। প্ৰাপ্ত বাতৰি মতে, হোজাই জিলাৰ মোৰাঝাৰৰ বাসিন্দা আব্দুৰ ৰহিম নামৰ এগৰাকী অধিবক্তাই আজি তেওঁৰ অসুস্থ পুত্ৰৰ চিকিৎসাৰ বাবে হাস্পতালখনলৈ যায়। চিকিৎসালয়খনত কৰ্তব্যৰত এজন অনা-অসমীয়া চিকিৎসকৰ সৈতে অসমীয়া ভাষা কোৱাক লৈ কাজিয়াৰ সূত্ৰপাত ঘটে অধিবক্তাগৰাকীৰ। এই কাজিয়াৰ পৰিপ্ৰেক্ষিততে অধিবক্তা আৰু তেওঁৰ ৰুগীয়া পুত্ৰক হাজী আব্দুল মজিদ মে'মৰিয়েলৰ একাংশ কৰ্মচাৰীয়ে নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হয়। ইফালে এই ঘটনাৰ এটা ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাত নেটিজেনৰ মাজতো সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ। দীৰ্ঘ সময় ধৰি অধিবক্তা আব্দুৰ ৰহিম আৰু তেওঁৰ ৰুগীয়া নাবালক পুত্ৰক হাস্পতালৰ বন্ধ কোঠাত আবদ্ধ কৰি শাৰিৰীক মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। ঘটনাৰ পিছতেই হোজাই আৰক্ষী হাস্পতালখনত উপস্থিত হৈ আহত পিতা-পুত্ৰক উদ্ধাৰ কৰি আনি চিকিৎসাৰ ব্যৱস্থা কৰে। অভিযোগ মতে হাস্পতালখনৰ 'গুণ্ডা বাহিনী'ৰ প্ৰহাৰত আহত হৈ অধিবক্তাগৰাকীৰ নাবালক পুত্ৰই মজিয়াত পৰি পানী বিচাৰিছিল যদিও চিকিৎসায়খনৰ কৰ্মচাৰীয়ে দ্বিতীয়বাৰ পানী বিচাৰিলে মুখত প্ৰস্ৰাৱ কৰি দিয়াৰ ভাবুকি দিয়াৰো অভিযোগ উত্থাপন হৈছে। উল্লেখ্য আজমলৰ এইখন চিকিৎসালয়ত কৰ্মচাৰীৰ গুণ্ডাগিৰিৰ অভিযোগ নতুন নহয়। প্ৰায়েই এনেদৰে মাৰপিটৰ ঘটনা সংঘটিত কৰাৰ অভিযোগ আছে হাস্পতাল কৰ্তৃপক্ষৰ বিৰুদ্ধে। অভিযোগ অনুসৰি, মোৰাঝাৰৰ পদুমনিৰ মাতাব উদ্দিন নামৰ এগৰাকী শিক্ষকৰ দুটা দশক পূৰ্বে একেদিনাই দুবাৰকৈ অস্ত্ৰোপ্ৰচাৰ কৰাৰ ফলত চিকিৎসালয়খনৰ ভিতৰতেই মৃত্যু হৈছিল। সেই সময়তো প্ৰতিবাদকাৰীক প্ৰহাৰ কৰিবলৈ চিকিৎসালয়ত 'গুণ্ডা বাহিনী'ৰ এটা দল নিয়োগ কৰাৰ অভিযোগ উঠিছিল। উল্লেখ্য যে প্ৰায় তিনিমাহ পূৰ্বেও চিকিৎসালয়খনত অনুৰূপ এক ঘটনা সংঘটিত হৈছিল। হাস্পতালখনত এনে ঘটনা ঘটি অহাৰ পিছতো কৰ্তৃপক্ষই কোনো ব্যৱস্থা নোলোৱাত ৰাইজে ক্ষোভিত হৈ পৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘কা’ক লৈ বৰাকত ‘আছু’ক

ডেমক্ৰেটিক ফ্ৰণ্ট চমুকৈ বিডিএফৰ নেতাগৰাকীয়ে কয় যে 'কা' কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ। কিন্তু এই আইনখন কাৰ্যকৰীকৰণত চৰকাৰৰ সন্মুখত হেঙাৰ হৈ থিয় দিছে কংগ্ৰেছ আৰু সদৌ অসম ছাত্ৰ সন্থাই। ৰয়ে কয়, ''কংগ্ৰেছ, আছু আদি দল বিলাকে 'কা' কাৰ্যকৰী কৰাৰ বিৰোধিতা কৰি আছে আৰু আন্দোলন কৰি আছে। আমি এইবিলাক ৰাজনৈতিক দলক সকিয়নী দিব বিচাৰিছো যদি কা কাৰ্যকৰী কৰাত তেওঁলোকে কোনো বাধাৰ সৃষ্টি কৰে, তেন্তে অহা নিৰ্বাচনত আমি বৰাক ভেলীত সকলো কেইটা ৰাজনৈতিক দলক বয়কট কৰিম।'' বঙালীৰ বিৰোধিতা কৰাৰ বাবে অকল বিজেপিক দোষ দি লাভ নাই বুলি মন্তব্য কৰি কংগ্ৰেছকো বঙালী বিৰোধী আখ্যা দিয়ে নেতাজনে। কাৰণ ১৯৬১ চনত যেতিয়া ভাষা আন্দোলন হৈছিল তেতিয়া অসমৰ মুখ্যমন্ত্ৰী আছিল বিমলা প্ৰসাদ চলিহা। সেই সময়ত ১১ জন বঙালী শ্বহীদ হৈছিল। ১৯৭২ চনত কংগ্ৰেছৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহয়েই ভাষা চাৰ্কুলাৰ জাৰি কৰিছিল। আই এম ডি টি আইন গৃহীত হোৱাৰ পিছত আছুৱে যিদৰে উচ্চতম ন্যায়ালয়লৈ গৈ ইয়াৰ বিৰোধিতা কৰিছিল, সেইদৰে নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধিতা কৰিব বিচাৰিলে উচ্চতম ন্যায়ালয়ত দাৰস্থ হওক বুলিও মন্তব্য কৰে প্ৰদীপ দত্ত ৰয়ে। আছু-কংগ্ৰেছে সমাগত নিৰ্বাচনত ব্যাঘাত জন্মাবৰ বাবেই 'কা'ৰ বিৰুদ্ধে আন্দোলন কৰি আছে বুলিও মন্তব্য কৰে ৰয়ে। আনহাতে আন্দোলনকাৰীক লৈ অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জিপি সিঙে যি মত প্ৰকাশ কৰিছে, সেয়া সমৰ্থন কৰা বুলিও কয় বঙালী নেতা প্ৰদীপ দত্ত ৰয়ে। বৰাক উপত্যকাত কোনোপধ্যেই নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ দিয়া নহ’ব বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে, শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২৪ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে সমগ্ৰ দেশতে নাগৰিকত্ব সংশোধনী আইন গৃহীত কৰা হ’ব বুলি মন্তব্য কৰাৰ পিছতে ৰাজ্যত পুনৰ উকমুকনি উঠিছে কা বিৰোধী আন্দোলনৰ। কেইবাটাও জাতীয়তাবাদী সংগঠনে 'কা'ৰ বিৰুদ্ধে পুনৰ ৰাজপথত আন্দোলন কৰাৰ হুংকাৰ দিয়াৰ পিছতে ছ’চিয়েল মিডিয়াত ২০১৯ৰ কা আন্দোলনৰ পুৰণি ভিডিঅ’ শ্বেয়াৰ কৰি আন্দোলনকাৰীৰ বিৰুদ্ধে আৰক্ষী কঠোৰ হোৱাৰ ইংগিত দিছিল ডিজিপি জিপি সিঙে। ইতিমধ্যে মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আন্দোলন প্ৰতিহত কৰিবলৈ ব্যাপক তৎপৰ হৈ থকা পৰিলক্ষিত হৈছে অসম আৰক্ষীক। কিন্তু ইয়াৰ মাজতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ সময়তে প্ৰান্তে প্ৰান্তে প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হয় দল-সংগঠনে।



ইণ্ডোনেচিয়াত বানৰ তাণ্ডৱ, নিহত ১৯, সন্ধানহীন ৮গৰাকী

# মাজুলীত ২৫৬কোটিৰ টকাৰ আচঁনি

**ই-সংবাদ, মাজুলী, ১০ মাৰ্চঃ** আধ্যাত্মিক শিক্ষাৰ জৰিয়তেহে আমি প্ৰকৃত মানুহ হ'ব পাৰিম। আধ্যাত্মিক শিক্ষা যদি অন্তৰত নাথাকে তেতিয়াহ'লে জীৱনৰ বাটত আউল লাগে বা মনেৰে ভবা কথাসমূহ যদি সিদ্ধি হ'বলৈ হয় তেতিয়াই আধ্যাত্মিক শক্তিৰ প্ৰয়োজন হয়। জ্ঞানেই শিক্ষা, শিক্ষাই শক্তি আৰু এই শক্তিৰ ফলত আমি পৃথিবী জয় কৰিব পাৰিম-আজি সত্ৰ নগৰী মাজুলীৰ মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত বিকাশ যাত্ৰাৰ অংশ হিচাপে মুঠ ৬ টা বিভাগৰ মুঠ ২৫৬.৬১ কোটি টকাৰ ৩৯ খন আচনিৰ শিলান্যাস ও উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজ্যৰ ৰাজহ, দুৰ্যোগ ব্যৱস্থাপনা, খনি ও খনিজ সম্পদ আৰু পাৰ্বত্য এলেকা উন্নয়ন দপ্তৰৰ মন্ত্ৰী যোগেন মহনে এনেদৰে কয়। মন্ত্ৰী যোগেন মহনে জন সভাত ভাষণ ৰাখি আৰু কয় যে-দক্ষতা বিকাশৰ যি যাত্ৰা চলিছে ইয়াৰ লগত সমানে সমানে খোজ দিব পাৰিব লাগিব। আমি নিজকে সমাজত দক্ষ বুলি প্ৰতিষ্ঠা কৰিবলৈ হলে কঠোৰ পৰিশ্ৰম, সাধনা কৰিব লাগিব বুলি উল্লেখ কৰে। জন সভাত ভাষণ ৰাখি আৰু কয় যে সমাজ বহু ওপৰলৈ গৈছে, আগৰ যুগ নাই আজিৰ প্ৰজন্মই আন্দোলন নামানে, হিংসা নামানে ,নতুন প্ৰজন্মই যুক্তিতৰ্ক বিচাৰে বুলি উল্লেখ কৰে। আজিৰ ৰাইজক বিকাশ লাগে আমি বিকাশ কৰিবলৈ হ'লে অকল চৰকাৰখনে নোৱাৰে। আমি আঁচনি ল'ম, বিভিন্ন ধৰণৰ প্ৰজেক্ট ল'ম কিন্তু ৰাইজৰ সদিচ্ছাৰ অবিহনে সেইয়া সম্ভৱ হৈ নুঠে। গতিকে ৰাইজৰ সকলো ক্ষেত্ৰতে সহযোগ আৰু আন্তৰিকতা থাকিব লাগিব বুলি লগতে উল্লেখ কৰে। তেওঁ কয় যে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ যি সংকল্প সেয়া সম্ভৱ হৈ উঠিবলৈ হলে চাৰিটা স্তম্ভই কাম কৰিব লাগিব। প্ৰথমে যুৱ শক্তি বিকাশ হ'ব লাগিব, দ্বিতীয়তে নাৰীৰ শক্তি বঢ়াব লাগিব। তৃতীয়তে কৃষক সকলে নিজৰ কাম কৰিব লাগিব। আমাৰ চৰকাৰে কৃষক সকলৰ কল্যাণৰ বাবে ভিন্ন আঁচনি গ্ৰহণ কৰি কৃষক সকলৰ আয় বঢ়াবৰ বাবে চেষ্টা কৰিছে। আগতে অসমে আমদানি কৰিছিল এতিয়া কৃষকে ৰপ্তানি কৰিব পৰা হৈছে বুলি উল্লেখ কৰে। চতুৰ্থতে তেওঁ দেশৰ বিকাশৰ বাবে সাধাৰণ শ্ৰেণীক আগুৱাই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই প্ৰসংগত মন্ত্ৰীগৰাকীয়ে আৰু কয় যে- আমাৰ চৰকাৰে চৰকাৰী আবাস যোজনা, অন্ত্যোদয়া আঁচনি গ্ৰহণ কৰি চৰকাৰে কাম কৰিছে।

# বিজেপিত থকা 'পতি'ক হৰুৱাবলৈ খেলিব নিৰ্বাচন

## পত্নীৰ সিদ্ধান্তক লৈ সৰ্বত্ৰে চৰ্চা

**ই- সংবাদ, ১০মাৰ্চঃ ২০১৯ৰ লোকসভা নিৰ্বাচনত স্বামীৰ হৈ প্ৰচাৰ চলাই স্বামীক জয়যুক্ত কৰাইছিল পত্নীয়ে কিন্তু দুয়োৰে মাজৰ বিবাহ বিচ্ছেদৰ পিছত এইবাৰ লোকসভা নিৰ্বাচনত একেটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বী হিচাপে অৱতীৰ্ণ হ'ব বিচ্ছেদিত দম্পতীহালে উল্লেখ্য যে, পশ্চিমবংগৰ বিষ্ণুপুৰ লোকসভা সমষ্টিৰ পৰা ২০১৯ চনত বিজেপিৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল সৌমিত্ৰ খানে কিন্তু আদালতৰ নিৰ্দেশৰ বাবে নিজ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব পৰা নাছিল সৌমিত্ৰই সেই সময়ত তেওঁৰ পত্নী সুজাতা খানে প্ৰচাৰৰ সমস্ত দায়িত্ব মূৰ পাতি লৈ প্ৰায় একক প্ৰচেষ্টাৰে জয়যুক্ত কৰাইছিল স্বামী সৌমিত্ৰক কিন্তু তাৰ পিছতে দুয়োৰে মাজত আৰম্ভ হয় মতানৈক্যৰ যোৱা বছৰ দুয়োৰে মাজত হোৱা বিবাহ বিচ্ছেদৰ পিছত এইবাৰ বিষ্ণুপুৰ সমষ্টিতে বিজেপিৰ প্ৰাৰ্থী প্ৰাক্তন স্বামীৰ বিৰুদ্ধে তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰিব সুজাতাই প্ৰণিধানযোগ্য যে, ২০১৬ চনত সম্পন্ন হৈছিল সেই সময়ৰ তৃণমূলৰ সাংসদ সৌমিত্ৰ আৰু সুজাতাৰ বিবাহ বিবাহৰ** পিছত নিজৰ মণ্ডল উপাধি এৰি স্বামীৰ খান উপাধি গ্ৰহণ কৰিছিল সুজাতাই। ২০১৯ চনত সৌমিত্ৰই তৃণমূল কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰাত স্বামীক সমৰ্থন আগবঢ়াই বিজেপিত যোগদান কৰিছিল সুজাতাইও। কিন্তু ২০২১ চনৰ পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপি এৰি তৃণমূলত যোগদান কৰে সুজাতা মণ্ডলে। আৰু ইয়াৰ পিছতে পৰা আৰম্ভ হয় স্বামী-স্ত্ৰীৰ বিভেদ। টিএমচিত যোগদান কৰাৰ পিছত পশ্চিমবংগ বিধানসভা নিৰ্বাচনত সুজাতাই প্ৰাৰ্থিত্ব লাভ কৰে যদিও পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হয়। যোৱা বছৰ আদালতত বিবাহ বিচ্ছেদ ঘটে সৌমিত্ৰ আৰু সুজাতাৰ। ইয়াৰ পিছতে সুজাতাই প্ৰথমবাৰৰ বাবে 'মণ্ডল' উপাধি গ্ৰহণ কৰি জিলা পৰিষদৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই বাংকুৰা জিলা পৰিষদৰ ৪৪নং আসনৰ পৰা জয়লাভ কৰে। আনহাতে শেহতীয়াকৈ টিএমচে ঘোষণা কৰা লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থী তালিকাত বিষ্ণুপুৰ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে সুজাতাক। একেটা সমষ্টিতে বিজেপিয়ে টিকট দিছে বৰ্তমানৰ সাংসদ তথা প্ৰাক্তন স্বামী সৌমিত্ৰক।




মিছ ৱৰ্ল্ড-২০২৪ৰ খিতাপ বিজয়া চেক ৰিপাব্লিকৰ সুন্দৰী ক্ৰীষ্টিনা পিস্কোভা

# 'কা' বাতিলৰ দাবীত আছুৰ ৰাজ্যজুৰি ১০ ঘণ্টীয়া ধৰ্মঘট

**ই-সংবাদ, ১০ মাৰ্চঃ** সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনে আজি ৰাজ্যজুৰি ১২ ঘণ্টীয়া অনশন কাৰ্যসূচী ৰূপায়ন কৰে। আছুৰ নেতৃত্বত প্ৰায় ৩০টা সংগঠনে 'কা' বাতলিৰ দাবীত ৰাজ্যজুৰি এই প্ৰতিবাদ সাব্যস্ত কৰিছে। ৰাজ্যৰ জিলা সদৰসমূহত এই কাৰ্যসূচী ৰাপায়ন কৰিছে আছু আৰু সহযোগী সংগঠসমূহে। সন্মুখত মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিচ্ছবি লৈ পুৱা ৬ বজাৰ পৰা আছুৰ নেতা-কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। 'কা' মানি নোলোৱাৰ লগতে চৰকাৰে 'কা' বাতিল কৰিবই লাগিব বুলি আছুৱে হুংকাৰ দি এই কাৰ্যসূচী ৰূপায়ন কৰিছে। এই কাৰ্যসূচী ৯ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমত থকাৰ সময়ত ৰূপায়ন কৰাৰ কথা আছিল। কিন্তু লাচিত বৰফুকনৰ মূৰ্তি উন্মোচনৰ কাৰ্যসূচী থকাৰ বাবে আহোম সংগঠনৰ আহ্বান মৰ্মে কাৰ্যসূচী বাতিল কৰিছিল আছুৱে। সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ, ডিব্ৰুগড়, কামৰূপ, গুৱাহাটী, বৰপেটা, বঙাইগাঁও, আদি জিলা সমিতিয়ে ৩০টা সংগঠনৰ সৈতে নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে ১২ ঘণ্টীয়া অনশন আৰম্ভ কৰিছে। আজি পুৱা ৬ বজাত আৰম্ভ হোৱা ধৰ্মঘট সন্ধিয়া ৬ বজালৈকে অব্যাহত থাকিব। আইনখন বাতিল কৰাৰ দাবীত প্ৰতিবাদ অব্যাহত ৰখাৰ হুংকাৰ দিছে আছুৱে।

## হাগ্ৰামা মহিলাৰীৰ গ্ৰীণ ছিগনেললৈ অপেক্ষা

# কোকৰাঝাৰত মনোনয়ন পত্ৰ দাখিল কৰিব পৃথ্বিৰাজে





**ই-সংবাদ, কোকৰাঝাৰ, ১০ মাৰ্চঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ পঞ্জীয়নকৃত আৰু স্বীকৃত ৰাজনৈতিক দলৰ পৰা প্ৰাৰ্থী হিচাপে মই কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে নিজ মনোনয়নপত্ৰ দাখিল কৰিম। এই মন্তব্য কৰিছে পৃথ্বিৰাজ নাৰায়ন দেৱ মেচে। আজি কোকৰাঝাৰ গৌৰাং ভেলী হোটেলত আয়োজিত হোৱা এক সংবাদমেলত পৃথ্বিৰাজ নাৰায়ণ দেৱ মেচে উক্ত মন্তব্য প্ৰকাশ কৰি মনোনয়ন দাখিল কৰাৰ দিনটোত সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে। উল্লেখ্য যে কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে বিপিএফৰ প্ৰাৰ্থী তালিকাত নাম থকা পৃথ্বিৰাজ নাৰায়ণ দেৱ মেচৰ আজিৰ বক্তব্যত বহু প্ৰশ্নৰ উদয় হৈছে। বিপিএফত তেওঁৰ প্ৰাৰ্থিত্ব চূড়ান্ত নেকি বুলি সাংবাদিকেসোধা এক প্ৰশ্নৰ উত্তৰত পৃথ্বিৰাজ নাৰায়ণ দেৱ মেচে কয় যে, সেয়া বিপিএফ দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়েহে ক'ব পাৰিব। তেওঁ কোন দলৰ পৰা মনোনয়ন দাখিল কৰিব সাংবাদিকে জানিব বিচৰাত তেওঁ কয় যে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নহয় তেওঁ পঞ্জীকৃত আৰু স্বীকৃত ৰাজনৈতিক দলৰ প্ৰাৰ্থী হিচাপে মনোনয়নপত্ৰ দাখিল কৰিব বুলি স্পষ্ট কৰি দিয়ে। সকলো জাতি-জনগোষ্ঠীক লৈ আগুৱাই যোৱাৰ সপোন দেখা পৃথ্বিৰাজ নাৰায়ন দেৱ মেচে সংসদত বলিষ্ট ভূমিকা গ্ৰহণ কৰিব আৰু বিটিচিৰ উন্নয়নৰ বাবে মাত মাতিব বুলি মন্তব্য কৰিছে। কোকৰাঝাৰ লোকসভাৰ নিৰ্বাচনী যুঁজখন এইবাৰ মহাভাৰতৰ যুদ্ধৰ লেখিয়া হ'ব আৰু ইয়াৰ ন্যায়-অন্যায় আৰু ধৰ্ম-অধৰ্মৰ মাজত যুঁজ হৈ সত্য প্ৰতিষ্ঠা হ'ব বুলি আশা প্ৰকাশ কৰিছে পৃথ্বিৰাজ নাৰায়ণ দেৱ মেচে। বিপিএফ দলৰ পৰা টিকট লাভ নকৰিলে আন দলৰ প্ৰাৰ্থী হিচাপে হলেও কোকৰাঝাৰ লোকসভা সমষ্টিত নিৰ্বাচন খেলিব নেকি বুলি প্ৰশ্নৰ উদয় হৈছে যদিও পৃথ্বিৰাজ নাৰায়ন দেৱ মেচে এই সকলোবোৰ আওকাণ কৰি মাথো পঞ্জীয়নকৃত আৰু স্বীকৃত ৰাজনৈতিক দলৰ পৰা প্ৰাৰ্থী হিচাপে কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে নিজ মনোনয়নপত্ৰ দাখিল কৰিম বুলি মন্তব্য কৰিছে। আনহাতে ইউপিপিএল দলৰ কোকৰাঝাৰ লোকসভাৰ প্ৰাৰ্থীগৰাকী নিৰ্বাচনী যুঁজত তিনিনম্বৰ স্থানত থাকিব বুলি মন্তব্য কৰিছে পৃথ্বিৰাজ নাৰায়ন দেৱ মেচে। ইপিনে বিপিএফৰ প্ৰাৰ্থী তালিকাৰ পেনেল লিষ্টত নাম থকা খাম্পা বৰগয়াৰীৰ বিৰুদ্ধে দুৰ্ষ্কৃতিকাৰী চক্ৰই ভুৱা ষড়যন্ত্ৰ কৰি অপপ্ৰচাৰ চলাইছে বুলি মন্তব্য কৰি বিপিএফৰ নেতাৰ চৰিত্ৰত কোনো দাগ নাই বুলি মন্তব্য কৰিছে পৃথ্বিৰাজ নাৰায়ন দেৱ মেচে।

## চৰকাৰক কঠোৰ সকিয়নী সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ

# ‘কা’ বাতিলৰ দাবীত শুৱালকুছিত ছাত্ৰ সন্থাৰ অনশন




**ই-সংবাদ, শুৱালকুছি, ১০ মাৰ্চঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানত আজি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবীত শুৱালকুছি হস্পিতালত চ'কত ১২ ঘণ্টীয়া অনশন কাৰ্যসূচীৰ ৰূপায়ণ কৰে। শেহতীয়াকৈ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই দেশজুৰি নাগৰিকত্ব সংশোধনী আইন বলবৎ কৰাৰ বাবে তৎপৰ হৈ পৰাৰ বিপৰীতে নাগৰিকত্ব সংশোধনী আইনৰ বাতিলৰ দাবীত ধাৰাবাহিক ভাৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনে। আজি সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি প্ৰতিবাদ কৰাৰ সমান্তৰালকৈ সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ শুৱালকুছি মেডিকেল চ'কত ১২ ঘণ্টীয়া অনশনৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবী জনায়। প্ৰাক্তন আছু নেতা আছু নেতা সাংবাদিক মৃণাল ডেকা আৰু দিপাংকৰ শৰ্মাই অনশনকাৰী সকলক শীতল পানীয় আৰু লঘু আহাৰ খুৱাই অনশন কাৰ্যসূচী ভংগ কৰে। এই অনশন কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক পংকজ কলিতা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৰজ্যোতি দাস, সাধাৰণ সম্পাদক তফিকুৰ ৰহমান, শিক্ষা সম্পাদক ৰিংকুমণি দাস , উপ সভাপতি সুৰজিত কলিতা , ধনজিৎ নাথ আদি সংগঠনটোৰ শতাধিক আছু কৰ্মীয়ে অংশগ্ৰহণ কৰে।







'কা'ৰ বিৰুদ্ধে আছুৰ প্ৰতিবাদঃ এফালে কামৰূপ মহানগৰত অনশনত বহিল আছুৰ সভাপতি উৎপল শৰ্মা আৰু আনফালে ধেমাজিত সাধাৰণ সম্পাদক শংকৰ জ্যোতি বৰুৱা

## আউনীআটীত মন্ত্ৰী যোগেন মহনৰ ঘোষণা

# নিমাতীঘাটৰ পৰা মাজুলীলৈ আৰম্ভ হ'ব নৈশ যাত্ৰী ফেৰী সেৱা

**ই-সংবাদ, মাজুলী, ১০ মাৰ্চঃ** মাজুলীবাসীৰ এটা দীৰ্ঘদিনীয়া সমস্যা নিশাৰ ভাগত নিমাতী আৰু মাজুলীৰ মাজত ফেৰী সেৱা বন্ধ থকাৰ ফলত মাজুলীৰ জৰুৰীকালীন ৰোগী উন্নত চিকিৎসাৰ বাবে মাজুলীৰ পৰা যোৰহাটলৈ নিবলৈ বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হয়। যাৰ বাবে বহু লোক অকালতে হেৰুৱাবলগা হৈছে। ইয়াৰ উপৰিও মাজুলী আৰু নিমাতী মাজত চলাচল কৰা ফেৰী বিয়লি চাৰি বজাৰলৈ চলাচলৰ কৰে। চাৰি বজাৰ পাছত মাজুলীলৈ কোনো ধৰণৰ যাত্ৰীবাহি ফেৰী চলাচল নহয়। যাৰ পৰিপ্ৰেক্ষিতত পুৱাতে মাজুলীৰ পৰা যোৰহাটলৈ চিকিৎসাৰ কামতেই হওঁক বা অন্যান্য কামত যোৱা ব্যক্তিসকলে মাজুলীলৈ উভতি আহিবলৈ চাৰি বজাৰ ফেৰী ধৰিব নোৱাৰিলে ঘাটৰ পৰা উভতি যোৰহাটত অধিক ধন খৰছ কৰি থাকিব লগা হয়। সেই সমস্যা যেন এতিয়া ওৰ পৰাৰ উপক্ৰম হৈছে মাজুলীবাসীৰ বাবে। কিয়নো মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সদিচ্ছাত মাজুলীবাসীয়ে লাভ কৰিছে নৈশ চলাচল কৰা এখন যাত্ৰীবাহী ফেৰী। আজি মাজুলীত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাহাৰীয়া অঞ্চল উন্নয়নৰ মন্ত্ৰী যোগেন মহনে আজি মাজুলীত মাজুলীৰ আউনীআটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এখন জনসভাত ৰাইজক উদ্দেশ্যি এই কথা সদৰি কৰে। মন্ত্ৰী মহনে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ ক্ৰমে মাজুলীবাসীৰ বাবে এই সেৱা মুকলি কৰা হৈছে এই ফেৰী খনে মাজুলীৰ অফলাৰ পৰা নিমাতীলৈ সন্ধ্যা ৬ বজাত চলিব আৰু নিমাতী পৰা মাজুলীলৈ পুনৰ আহিব। এই সেৱাই মাজুলীবাসীৰ এক সমস্যা দূৰ কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। মাজুলীলৈ নৈশ ফেৰী সেৱা আৰম্ভ হোৱাত মুখ্যমন্ত্ৰীগৰাকীৰ মনৰ আশা পূৰণ হৈছে বুলিও তেওঁ উল্লেখ কৰে। আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ পৰা জানিব পৰা অনুসৰি এই সেৱা মাজুলী ৰাইজৰ লগত আলোচনা কৰি মাজুলীবাসীৰ সুবিধা হোৱাকৈ চলাচলৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিছে। আজিৰ পৰা এমভি জাহ্নৱী যাত্ৰীবাহী ফেৰী সেৱা মাজুলীবাসীয়ে লাভ কৰিব। মাজুলী আৰু নিমাতীৰ মাজত নৈশ ফেৰী সেৱা চলাচলৰ ব্যৱস্থা কৰাত ৰাইজে আদৰণি জনাইছে।

# দুৰ্বৃত্তৰ গুলীত প্ৰাণ গ'ল যুৱ ব্যৱসায়ী সুন্দৰ মালিকৰ

**চণ্ডীগড়, ১০ মাৰ্চঃ** পুৱা পাৰ্কিং লটত নিজৰ গাড়ীৰ ভিতৰত শুই থকা সময়তে অচিকান্ত দুৰ্বৃত্তৰ গুলীত মৃত্যু ঘটিল এগৰাকী যুৱ ব্যৱসায়ীৰ। হাৰিয়ানাৰ মুৰথালত দেওবাৰে পুৱা সংঘটিত হয় এই হত্যাকাণ্ডৰ ঘটনা। জানিব পৰা মতে, মুৰথালস্থিত গুলছান ধাবাৰ সন্মুখৰ পাৰ্কিং লটত নিজৰ এছ ইউ ভি বাহনৰ ভিতৰত শুই আছিল ব্যৱসায়ী জন। পুৱা ৮.৩০ বজাত অচিনাক্ত দুৰ্বৃত্তই তেওঁক গাড়ীৰ পৰা উলিয়াই আনি কেইবাবাৰো গুলীচালনা কৰাত থিতাতে প্ৰাণ হেৰুৱায় ব্যৱসায়ীজনে।নিহত ব্যৱসায়ীজন গোহানাৰ সৰ্গথাল গাঁৱৰ ৩৮ বৰ্ষীয় সুৱা ব্যৱসায়ী সুন্দৰ মালিক বুলি জানিব পৰা গৈছে। ঘটনাৰ চিচিটিভি ভিডিঅ'ত দেখা গৈছে যে কমলা ৰঙৰ চোলা আৰু পেণ্ট পিন্ধা ব্যৱসায়ীজনক তেওঁৰ এছ ইউ ভিখনৰ পৰা টানি উলিয়াই আনি দুজন আক্ৰমণকাৰীয়ে কেইবাজাঁই গুলীচালনা কৰে। সেই সময়ত ব্যৱসায়ীজনে পলায়নৰ চেষ্টা চলায় যদিও ব্যৰ্থ হয়। ইফালে এই ঘটনা সংঘটিত হোৱাৰ পিছত গুলছান ধাবাৰ মালিকে ঘটনাৰ বিষয়ে আৰক্ষীক অৱগত কৰে।আৰক্ষীয়ে সদৰী কৰা মতে, ব্যৱসায়ীজনৰ ওপৰত ৩৫ ৰাউণ্ড গুলীচালনা কৰিছিল দুষ্কৃতিকাৰীয়ে। অভিযুক্তক কৰায়ত্ত কৰিবলৈ আৰক্ষীয়ে ৯টা দল গঠন কৰি তদন্ত আৰম্ভ কৰিছে। উল্লেখযোগ্য যে কিছু সপ্তাহ পূৰ্বে ঝজ্জাৰতো সংঘটিত হৈছিল অনুৰূপ ঘটনা। ভাৰতীয় জাতীয় লোকদলৰ এজন নেতাৰ এছ ইউ ভিত অচিনাকি বন্দুকধাৰীয়ে আক্ৰমণ কৰাত গাড়ীৰ ভিতৰতে মৃত্যুক সাৱটি লৈছিল নেতাগৰাকীয়ে।

## প্ৰায় ৪৫০কোটি টকাৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ

# লোকসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ওদালগুৰিবাসীলৈ প্ৰতিশ্ৰুতিৰ বন্যা





**ই-সংবাদ, শুক্লাই, ১০ মাৰ্চঃ** দেওবাৰে কেইবাখনো অভিলাসী আঁচনি লৈ ওদালগুৰিৰ ভেৰগাঁৱত উপস্থিত হয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা৷ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ওদালগুৰিবাসীলৈ মুখ্যমন্ত্ৰীয়ে নমাই আনে প্ৰতিশ্ৰুতিৰ বন্যা। বিকাশ যাত্ৰাৰ অধীনত মুখ্যমন্ত্ৰীয়ে ভেৰগাঁৱৰ কেইবাটাও কোটিটকীয়া পথৰ শিলান্যাস কৰাৰ লগতে জিলাখনৰ ২৩ খনকৈ চাহ বাগিছালৈ একোখনকৈ জৰুৰীকালীন এম্বুলেন্স প্ৰদান কাৰ্যসূচীৰো শুভাৰম্ভ কৰে৷ দিনৰ প্ৰায় দুই বজাত হেলিকপ্টাৰেৰে ভেৰগাঁৱত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে ত্ৰিশ সহস্ৰাধিক লোকক সম্বোধন কৰি দিয়া ভাষণত বিজেপি চৰকাৰৰ উন্নয়নমূলক আৰুঅভিলাসী আঁচনি সমূহৰ বিষয়ে অৱগত কৰে৷ আজিৰ সভাতে মুখ্যমন্ত্ৰীয়ে ২০০৩ চনত অবিভক্ত দৰং জিলাৰ কচুবিলত সংঘটিত এক অবাঞ্চিত ঘটনাত পুলিচৰ গুলীত প্ৰাণ আহুতি দিয়া শ্বহিদৰ পৰিয়ালৈ এককালিনভাৱে পাঁচ লাখ আৰু আহত লোকলৈ নগদ এক লাখকৈ টকাৰ এককালীন সাহায্য প্ৰদান কৰে৷ আজিৰ সভাতে মুখ্যমন্ত্ৰীয়ে অসম মালাৰ অধিক বেংবাৰী- নাওঁকাটা পথ আৰু বগামাটি পথৰো আধাৰশিলা স্থাপন কৰে৷ সভাত মুখ্যমন্ত্ৰীয়ে পানেৰী সমষ্টিত এক হাজাৰ কোটি টকাৰে বিকাশৰ কাম চলি আছে আৰু বাকী ওদালগুৰি , মাজবাট সমষ্টিটো উন্নয়নৰ নিজৰা বিজেপি চৰকাৰৰ দিনতে বব বুলিও উল্লেখ কৰে৷ বিজেপি- ইউ পি পি এল মিত্ৰজোটৰ চৰকাৰৰ দিনত বিটিচিত উন্নয়নৰ যি ধাৰা বৈছে, সেয়া কল্পনাৰো বাহিৰত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আগন্তুক সময়ত আৰু উন্নয়ন হ'ব বুলি কয়৷ টংলা ওদালগুৰি ৰেলৰে ফ্লাই অভাৰ, টংলা মহাবিদ্যালয়লৈ আৰ্থিক সাহায্য প্ৰদান আৰু কলাইগাঁৱত নতুন কলেজ নিৰ্মানৰো ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে৷ আজিৰ সভাত মুখ্যমন্ত্ৰীক সংগ দিয়ে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সাংসদ দিলীপ শইকীয়া আৰু বিটিচি প্ৰধান প্ৰমোদ বড়ো।

## কেন্দ্ৰীয় সমিতিৰ সভাপতিৰূপে নিৰ্বাচিত আশ্বিক ৰাব্বানী

# ‘মুছা’ৰ কেন্দ্ৰীয় সমিতিৰ ষষ্ঠ ত্ৰিবাৰ্ষিক অধিৱেশন সফলতাৰে সম্পন্ন

**পুলক মেধি, লাহৰীঘাট, ১০ মাৰ্চঃ** শনিবাৰে মৰিগাঁও জিলাৰ মৈৰাবাৰী ইন্দিৰা খেলপথাৰত সম্পন্ন হয় মুছলিম ছাত্ৰ সন্থা অসম, চমুকৈ ‘মুছা’ৰ ষষ্ঠ ত্ৰিবাৰ্ষিক কেন্দ্ৰীয় সমিতিৰ অধিৱেশনখন। অধিৱেশনৰ আৰম্ভণিতে বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ‘মুছা’ৰ ৰাজনৈতিক উপদেষ্টা নেকিবুৰ ৰহমান হাজৰিকাই। ইয়াৰ পিছতে অনুষ্ঠিত সংগঠনটোৰ মূল পতাকা উত্তোলন কৰে মুছাৰ প্ৰাক্তন সভাপতি আব্দুল মালেকে। ইয়াৰ লগতে ২১খন পতাকা বিভিন্ন জিলা সমিতিৰ ফালৰ পৰা উত্তোলন কৰা হয়। দিনৰ ১১ বজাত আয়োজিত প্ৰতিনিধি সভাখনৰ পৌৰাহিত্য কৰে’ ‘মুছা’ৰ প্ৰাক্তন সভাপতি ইয়াহহিয়া আহমেদ বৰভূঞাই। প্ৰতিনিধি সভাত বিভিন্ন জিলা সমিতি আৰু প্ৰাক্তন বিষয়ববীয়া সকলৰ উপস্থিতিত সৰ্ব সন্মতিমৰ্মে ‘মুছা’ৰ কেন্দ্ৰীয় সমিতি খন গঠন কৰা হয়। সংগঠনটোৰ নৱ গঠিত কেন্দ্ৰীয় সমিতিত নেকিবুৰ ৰহমান হাজৰিকাক ৰাজনৈতিক উপদেষ্টা হিচাপে নিৰ্বাচিত কৰাৰ লগতে ইয়াহিয়া বৰভূঞাক মুখ্য উপদেষ্টা, ৰফিকুল ইছলাম, আব্দুল মালেকক উপদেষ্টাৰূপে নিৰ্বাচন কৰা হয়। ইয়াৰোপৰি আশ্বিক ৰাব্বানী, সভাপতি (মৰিগাঁও), আবুল বাশ্বাৰ সাধাৰণ সম্পাদক (সাংগঠনিক), জব্বৰ আলী (প্ৰশাসনিক), ছেলিম উদ্দিন, ফজৰ আলী, উপ-সভাপতি, আলাল উদ্দিন তালুকদাৰ, অধিবক্তা চুলতান আলী, জহিৰুল খলিফা, নজৰুল ইছলাম সম্পাদক, আমিনুল ইছলাম সাংগনিক সম্পাদক, ছাবেদ আলী প্ৰচাৰ সম্পাদক আৰু বিভিন্ন জিলাৰ পৰা সদস্য লৈ ৩১ জনীয়া শক্তিশালী কমিটি গঠন কৰা হ’য়। সভাত সৰ্বসন্মতিমৰ্মে কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হ’য়। প্ৰথম প্ৰস্তাৱত গঠন কৰা হয় ‘মুছা’ত ‘স্টেয়াৰিং কমিটি’ অৰ্থাৎ টি চি নামেৰে এখন কমিটি। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মহামান্য উচ্চতম ন্যায়ালয়ৰ অধিবক্তা হাৰিশ বেৰান। সভাত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকা, মুছলিম ছাত্ৰ ফেডাৰেচনৰ ডাহেৰ আলী, যুবনেতা খলিলুৰ ৰহমানৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

# মৈৰাবাৰীত সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা'

**ই-সংবাদ, মৈৰাবাৰী, ১০ মাৰ্চঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ 'খাইৰ প্ৰকাশন'ৰ উদ্যোগত ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি মাহৰ ১০ তাৰিখে নিয়মীয়াকৈ অনুষ্ঠিত হৈ অহা সম্প্ৰীতিৰ অভিনৱ কাব্যনুষ্ঠান 'বাটৰ কবিতা' আজি বিয়লি ৪:৩০ বজাত মৈৰাবাৰী কলেজ ৰোডত 'খাইৰ প্ৰকাশন'ৰ কাৰ্যালয়ৰ সন্মুখত অনুষ্ঠিত হৈ যায়। বিশিষ্ট সাংবাদিক, কবি বদৰুজ জামান আকতাৰৰ সঞ্চালনাত অনুষ্ঠিত এই ব্যতিক্ৰমী কাব্যানুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে খাইৰ প্ৰকাশনৰ স্বত্বাধিকাৰী তথা বিশিষ্ট কবি, লেখক খাইৰুল ইছলামে। চলিত মাৰ্চ মাহৰ অনুষ্ঠানটিত কবি জিন্নাতুল ইছলাম, কবি মুহাম্মাদ আফজাল, কবি খাইৰুল ইছলাম আৰু কবি বদৰুজ জামান আকতাৰে স্বৰচিত কবিতা পাঠ কৰাৰ লগতে যুৱ সমাজকৰ্মী ছাব্বিৰ হুছেইন আৰু স্কুলীয়া ছাত্ৰ মুহাম্মাদ ফাহিমে কবিতা আবৃত্তি কৰে। ইপিনে কবি আশ্ৰাফুল হকে এটি গীত পৰিৱেশন কৰি ৰাইজক মুগ্ধ কৰে। যুৱ শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী জহিৰুল ইছলামে নিজৰ বক্তব্যৰ মাজেদি স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীক বাটৰ কবিতাৰ সৈতে জড়িত হৈ সৃজনী প্ৰতিভা বিকাশৰ সুন্দৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্মৰ্তব্য যে তৰুণ কবিৰ প্ৰতিভা বিকাশৰ উৎকৃষ্ট ক্ষেত্ৰ এই মাহেকীয়া কাব্যানুষ্ঠানটিত অংশগ্ৰহণ কৰিব বিচৰা আগ্ৰহী কবিসকলে অনুষ্ঠানটিৰ যুটীয়া সমন্বয়ক ক্ৰমে খাইৰুল ইছলামক ৮৪৮৬২-৮৯৪৫৪ আৰু মুহাম্মাদ আফজালক ৯৫০৮১-৫৩৮০২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা খাইৰ প্ৰকাশনে আহ্বান জনাইছে।

# শেষ পৃষ্ঠা


## ব্যৰ্থ বজৰং পুনিয়া ৰবি দাহিয়া

**চণ্ডিগড়, ১০ মাৰ্চঃ** টকিঅ' অলিম্পিকত পদক জয়ী মল্ল যুঁজাৰু বজৰং পুনিয়া আৰু ৰবি দাহিয়াই পেৰিছ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জনত ব্যৰ্থ হৈছে। তেওঁলোক দুয়োজনে আজি নিজৰ নিজৰ খেলত পৰাস্ত হৈ পেৰিছলৈ টিকট অৰ্জন কৰিব নোৱাৰিলে। উল্লেখ্য যে ভাৰতীয় মল্লযুদ্ধ ফেডেৰেচনৰ সভাপতি ব্ৰীজভূষণ চাৰন সিঙৰ বিৰুদ্ধে চলা প্ৰতিবাদৰ সন্মুখত আছিল পুনিয়া। পুনিয়াই তেওঁলোকক পোন পোনে পেৰিছ অলিম্পিকলৈ প্ৰেৰণ কৰাৰ দাবী জনাইছিল। কিন্তু ফেডেৰেচনে সেই দাবী নোলোৱাত যোগ্যতা অৰ্জনকাৰী খেলত ভাগ লবলগীয়া হয়। সেই খেলত পৰাজিত হৈ আজি পেৰিছ অলিম্পিকৰ ভাৰতীয় দলৰ পৰা বাহিৰ হয় পুনিয়া আৰু দাহিয়া।

## পূব মণ্ডলৰ মুখ্য প্ৰশিক্ষক জাকাৰিয়া



**গুৱাহাটী, ১০ মাৰ্চঃ** অসম ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক জাকাৰিয়া জুফ্ৰীক বিজয় হাজাৰে ট্ৰফীত পূব মণ্ডলৰ দলৰ মুখ্য প্ৰশিক্ষক নিযুক্ত লাভ কৰিছে। শনিবাৰে তেওঁক এই নিযুক্তি প্ৰদান কৰিছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে। ইয়াৰ বাবে জাকাৰিয়াই সামাজিক মাধ্যমযোগে বৰ্ডৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছে। উল্লেখ্য যে খেলুৱৈ হিচাপে অসমৰ উপৰিও ৰে'লৱেৰ হৈয়ো খেলিছিল জাকাৰিয়াই।



## লোকসভা নিৰ্বাচনৰ ৰণত ২ বিশ্বকাপ বিজয়ী ক্ৰিকেটাৰ

**কলকাতা, ১০ মাৰ্চঃ** আজি পশ্চিম বংগত ৪২খন আসন বাবে প্ৰাৰ্থী ঘোষণা কৰে তৃণমূল কংগ্ৰেছে। এইবাৰ পশ্চিম বংগত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী হ'ব দুবাৰকৈ বিশ্বকাপ বিজয়ী দলৰ সদস্য ইউছুফ পাঠান। বিস্ফোৰক বেটিঙেৰে বিপক্ষক বিপাণ্ডত পেলোৱা ইউছুফ পাঠানে এইবাৰ প্ৰতিদ্বন্দ্বিতা কৰিব লোকসভা নিৰ্বাচনত। খেলপথাৰৰ চেম্পিয়ন ইউছুফ পাঠান এইবাৰ ওলাইছে ৰাজনীতিৰ পথাৰলৈ। মহেন্দ্ৰ সিং ধোনীৰ নেতৃত্বত ২০০৭চনত টি-২০ বিশ্বকাপ আৰু ২০১১ চনৰ বিশ্বকাপ বিজয়ী দলৰ অন্যতম সদস্য আছিল ইউছুফ পাঠান। পশ্চিম বংগৰ বহৰমপুৰ সমষ্টিৰ পৰা তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী হ'ব ক্ৰিকেটাৰ ইউছুফ পাঠান। খেলপথাৰত বেটিঙেৰে বিপক্ষৰ বলাৰক ধৰাশায়ী কৰা পঠানৰ ৰাজনীতিৰ পথাৰ অপেনিং কৰিয়ে প্ৰতিদ্বন্দ্বী হ'ব অধিৰ ৰঞ্জন চৌধুৰী। উল্লেখ কৰা প্ৰয়োজন যে, পশ্চিম বংগ প্ৰদেশ কংগ্ৰেছ সভাপতি অধিৰ ৰঞ্জন চৌধুৰী। কেৱল ইউছুফ পাঠানে নহয় TMCৰ প্ৰাৰ্থী হ'ব আন এগৰাকী বিশ্ববিজয়ী ক্ৰিকেটাৰ। ভাৰতক প্ৰথম বিশ্বকাপ জয়ৰ সোৱাদ দিয়া ক্ৰিকেট দলৰ সদস্য হ'ব আনগৰাকী সদস্য। বৰ্ধমান দুৰ্গাপুৰ সমষ্টিৰ প্ৰাৰ্থী হ'ব প্ৰাক্তন ক্ৰিকেটাৰ কীৰ্তি আজাদ। উল্লেখ্যে যে কপিল দেৱৰ নেতৃত্বত ১৯৮৩ চনত বিশ্বকাপ বিজয়ী দলৰ অন্যতম সদস্য আছিল কীৰ্তি আজাদ। বহৰমপুৰ সমষ্টিৰ পৰা ক্ৰমাগতভাৱে ৫বাৰকৈ সাংসদ হৈছে অধিৰ ৰঞ্জন চৌধুৰীয়ে। আৰু এইবাৰ অধিৰ ৰঞ্জন চৌধুৰীৰ সন্মুখত থাকিব চেম্পিয়ন ইউছুফ পাঠান। আৰু বহৰমপুৰ সমষ্টি এইবাৰৰ লোকসভা নিৰ্বাচন যুঁজ হ'ব আকৰ্ষণীয়।






newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান